# ২০২৫-২০২৬ বৰ্ষৰ ক্ৰিকেট শাখাৰ বাৰ্ষিক সম্পাদকীয় প্ৰতিবেদন ঃ

মাননীয় নগাওঁ ক্ৰীড়া সংস্থাৰ সভাপতি, সাধাৰণ সম্পাদক প্ৰমূখ্যে সদনৰ সকলো সদস্যলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি নগাঁও ক্ৰীড়া সংস্থাৰ ক্ৰিকেট শাখাৰ সম্পাদক হিচাপে আপোনাসৰৰ জ্ঞাতাৰ্থে ২০২৫-২০২৬ বৰ্ষৰ ক্ৰিকেট শাখাৰ বাৰ্ষিক প্ৰতিবেদন আগবঢ়ালো।

যোৱা বৰ্ষত অনুষ্ঠিত হোৱা ১৪ বছৰ অনুৰ্দ্ধ তৃতীয় পুলিন দাস ট্ৰফীত নগাঁও দলে বোকাখাত আৰু কলিয়াবৰক পৰাস্ত কৰে আৰু মধ্য অসম মণ্ডুলৰ ফাইনেল খেলত তিতাবৰক পৰাস্ত কৰে আৰু ফাইনেল ৰাউণ্ডত লখিমপুৰৰ লগত পৰাস্ত হয় আৰু বৰপেটাৰ লগত ড্ৰ খেলে।

যোৱা বৰ্ষত ১৬ বছৰ অনুৰ্দ্ধ আৰ. জি. বৰুৱা ট্ৰফী ক্ৰিকেটত নগাঁও দলে তিতাবৰ, মৰিগাঁও, হোজাই আৰু কাৰ্বি আংলং দলক বৃহৎ ব্যৱধানত পৰাস্ত কৰে আৰু মধ্য অসম মণ্ডুলৰ ফাইনেল খেলত বোকাখাতৰ লগত পৰাস্ত হয়।

যোৱা বৰ্ষত অনুষ্ঠিত হোৱা ১৯ বছৰ অনুৰ্দ্ধ জে. কে. বৰুৱা ট্ৰফীৰ প্ৰতিযোগিতাত নগাঁও দলে হোজাই আৰু বোকাখাতক পৰাস্ত কৰে। তাৰ পিচত মধ্য অসম মণ্ডুলৰ ফাইনেল খেলত গোলাঘাটৰ লগত পৰাস্ত হয়।

নুৰুদ্দিন আহমেদ ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা (ইলাইট গ্ৰুপ)ত নগাঁও দলে বিশেষ ভাল ফল দেখোৱাব নোৱাৰিলে। বোকাখাত আৰু তিনিচুকীয়াৰ লগত পৰাস্ত হোৱাৰ লগতে তেজপুৰৰ লগত ড্ৰ-তে সীমাবদ্ধ থাকে।

১৫বছৰ অনুৰ্দ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত মৰিগাঁও আৰু কলিয়াবৰক পৰাস্ত কৰে আৰু হোজাইৰ বিৰুদ্ধে মাত্ৰ ১ (এক) ৰাণত পৰাস্ত হয়।

১৯বছৰ অনুৰ্দ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত নগাঁও দলে প্ৰথম ৰাউণ্ডত গুৱাহাটী, বঙাইগাঁও আৰু কলিয়াবৰক পৰাস্ত কৰি চুপাৰ লীগত প্ৰৱেশ কৰে। চুপাৰ লীগত নগাঁও দলে তেজপুৰ আৰু হাইলাকান্দিক পৰাস্ত কৰে আৰু ডিব্ৰুগড়ৰ লগত পৰাস্ত হয়।

কনকলতা বৰুৱা ছিনিয়ৰ মহিলা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত ৰঙিয়া আৰু বিলাসীপাৰাক পৰাস্ত কৰে আৰু গুৱাহাটীৰ লগত পৰাস্ত হয়।

অসম ক্ৰিকেট সংস্থাৰ দ্বাৰা পৰিচালিত নগাঁও ক্ৰীড়া সংস্থাই আয়োজন কৰা সপ্তম বাৰ্ষিক আন্তঃক্লাৱ প্ৰিমিয়াৰ ক্ৰিকেট লীগ (এ. এন. কিড'ৱাই ট্ৰফী) 'ক্লাষ্টাৰ ৱান' প্ৰতিযোগিতাখনিত আঠটা দলৰ মাজত অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত মুঠ ১৫৬ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰে। আন্তঃক্লাৱ লীগৰ এ. এন. কিড'ৱাই ট্ৰফীৰ বিজয়ী দল ষ্টাৰ স্প'ৰ্টিং ক্লাৱ আৰু বিজিত দলৰ খিতাপ দখল কৰে প্ৰৱাহ গোষ্ঠীয়ে।

সহজানন্দ ওজা সোঁৱৰণী 'ক্লাষ্টাৰ-টু' ক্ৰিকেট লীগত ৬ টা দলে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাত মুঠ ১০৮ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰে। 'ক্লাষ্টাৰ-টু'ৰ বিজয়ী দলৰ খিতাপ অৰ্জন কৰে খুটিকটিয়া য়ুথ ক্লাৱে আৰু বিজিত দলৰ খিতাপ দখল কৰে নগাঁও ভাইকিংছ ক্লাৱে।

নগাওঁ ক্ৰীড়া সংস্থাৰ 'ক্লাষ্টাৰ-থ্ৰী' ক্ৰিকেট লীগত ১৭ টা দলে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাত মুঠ ৩০২ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰে। এই লীগত মাজৰআটি অৰুণোদয় সাংস্কৃতিক সমাজ চেম্পিয়ণ হোৱাৰ বিপৰীতে নগাঁও টাউন ক্লাৱে ৰাণাৰ্ছৰ সন্মান লাভ কৰে।

নগাঁৱৰ সু-যোগ্য খেলুৱৈ মৃন্ময় দত্তই চৈয়দ মোস্তাক আলী ট্ৰফী প্ৰতিযোগিতাত প্ৰতিনিধিত্ব কৰে। ১৬ বছৰ অনুৰ্দ্ধ Exposer Tour ত ধৃতিমান দাস আৰু অংশুমান সাহানিয়ে অসম দলত প্ৰতিনিধিত্ব কৰে। লগতে ১৪ বছৰ অনুৰ্দ্ধত নগাঁৱৰ প্ৰিয়ম কুণ্ডু আৰু আয়ান আৰ্জুয়ে দ্বিতীয় এন. ই. লিটিল মাষ্টাৰ ট্ৰফী (ল'ৰা) ২০২৬-ত অসম দলত প্ৰতিনিধিত্ব কৰে।

ক্ৰমশঃ ৪

মহিলা শাখাত নগাঁৱৰ খেলুৱৈ ৰূপশিখা টেৰংপিয়ে ছিনিয়ৰ, ২৩ বছৰ অনুৰ্দ্ধ আৰু ১৯ বছৰ অনুৰ্দ্ধ প্ৰতিযোগিতাত অসম দলৰ হৈ প্ৰতিনিধিত্ব কৰে আৰু সুনিতা ডেকাই দ্বিতীয় এন. ই. লিটিল মাষ্টাৰ ট্ৰফী (ছোৱালী) ২০২৬-ত অসম দলত প্ৰতিনিধিত্ব কৰে।

নগাঁও ক্ৰীড়া সংস্থাৰ অধীনত থকা নগাঁও ক্ৰিকেট একাডেমীত ২০২৫-২০২৬ বৰ্ষত ১৬৬ জন খেলুৱৈ আৰু ছোৱালী শাখাত ২০ গৰাকী খেলুৱৈ আৰু ৰাতিপুৱা ভাগত ১৯ জন ছিনিয়ৰ খেলুৱৈয়ে অনুশীলন কৰিছে। যোৱা মে মাহত নগাঁও কাছমাৰীত ২৪ দিনীয়া ছোৱালী প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। উক্ত শিবিৰত ৩২ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। লগতে বৰ্তমান আন্তঃবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা ১৬ খন বিদ্যালয়ৰ মাজত অনুষ্ঠিত কৰা হৈছে আৰু অহা ২০ জুনৰ পৰা তৃতীয় কৌস্তৱ কাশ্যপ বৰুৱা আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব।

পৰিশেষত, সংস্থাৰ মাননীয় সভাপতি, সাধাৰণ সম্পাদক প্ৰমূখ্য সকলো বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। মোক শাখাটোৰ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে যি সকলে সহায়-সহযোগিতা আগবঢ়াই নিয়াৰিকৈ চলাই যাবলৈ আৰু দিহা-পৰামৰ্শ আগবঢ়াইছে, তেখেত সকলকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। বিশেষকৈ আন্তঃক্লাৱ ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে আম্পায়াৰসকলক আৰু লগতে আম্পায়াৰ ছাৰ-কমিটিৰ চেয়াৰমেন শ্ৰী অসীম কুমাৰ ভাৰালকে প্ৰমূখ্য কৰি আম্পায়াৰ ছাৰ-কমিটিৰ সকলো সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো। তাৰোপৰি, ক্ৰিকেট লীগ চাৰ-কমিটিৰ সভাপতি শ্ৰীতপন কুমাৰ শৰ্মা আৰু সকলো সদস্যক, আন্তঃজিলা ক্ৰিকেট দল বাছনি কৰা সমূহ নিৰ্বাচক সকলক, নিয়মীয়া প্ৰশিক্ষক সকলক আৰু নগাঁৱৰ ক্ৰীড়া সাংবাদিক সকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে গোটেই বছৰ মোক সহায় কৰা গ্ৰাউণ্ড ষ্টাফক ধন্যবাদ জ্ঞাপন কৰি এই প্ৰতিবেদন সামৰণি মাৰিলো।

**মৃণাল কুমাৰ হাজৰিকা**
শাখা সম্পাদক, ক্ৰিকেট
নগাঁও ক্ৰীড়া সংস্থা,
নগাওঁ ঃঃ অসম।